(বিজ্ঞান জগতৰ সোণালী মুকুটা)

# অসম গৌৰৱ মহান বিজ্ঞানী গুৰু প্ৰসাদ দাস


সংগ্ৰহঃ- অজিত কুমাৰ শৰ্মা, ( কে আৰ পি ), এচ চি ই আৰ টি, অসম

**আৰম্ভণি** - অধ্যৱসায় আৰু কৰ্মৰ প্ৰতি সুস্থ মানসিকতা থাকিলে মানুহে যিকোনো কৰ্মতে উচ্চ শিখৰত উপনীত হ'ব পাৰে। তাৰে এক জলন্ত উদাহৰণ হৈছে বিশিষ্ট বিজ্ঞানী আৱিষ্কাৰক শ্ৰদ্ধাৰ গুৰু প্ৰসাদ দাস। জেমচ ৱাটে বাম্পইঞ্জিন আৱিষ্কাৰ কৰাৰ পাচত জৰ্জ ষ্টিফেনচ্যনে বাম্পচালিত ৰে'ল ইঞ্জিন আৱিষ্কাৰ কৰে। ৰে'ল লাইনৰ ওপৰেদি চলি যোৱাৰ বাবে এনে গাড়ীয়ে ৰে'লগাড়ী আখ্যা পায়। ৰে'লগাড়ীৰ সহায়ত মানুহ অহা-যোৱা কৰাৰ লগতে মাল-বস্তু পৰিবহণৰ দিশত যথেষ্ট অগ্ৰগতি লাভ কৰিলে। ৰে'লগাড়ীৰ মূল ইঞ্জিনৰ লগত লোৰে সজা লানি নিচিগা দবা সংযোগ কৰাৰ পাছত চলন্ত ৰে'লগাড়ী হঠাতে ৰখাবৰ বাবে বহু কষ্ট কৰিব লগা হৈছিল। তথাপি সাধাৰণ ব্ৰেক ব্যৱহাৰ কৰি ৰখাবৰ বাবে অধিক ভৰবেগ থকা গাড়ীখনে বহু দূৰ আগবাঢ়ি গৈছিল। 1930 চনলৈকে ৰে'লগাড়ীৰ কোনো ধৰণৰ ব্ৰেক আৱিষ্কাৰ হোৱা নাছিল। সাধাৰণ প্ৰক্ৰিয়াৰে এই গাড়ী ৰখোৱা হৈছিল। ভেকুৱাম ব্ৰেক আৱিষ্কাৰ হোৱাৰ পিছত এনে ভৰবেগ যুক্ত যিকোনো গাড়ী বা ইঞ্জিন নিজৰ ইচ্ছা মতে কণ্ট্ৰল কৰিব পৰা হ'ল। আমাৰ অসম সন্তান বিখ্যাত ইঞ্জিনিয়াৰ গুৰু প্ৰসাদ দাসে automatic vacuum brake উদ্ভাৱন কৰি ৰে'লগাড়ীৰ এটা ডাঙৰ সমস্যা দূৰ কৰে। সেয়েহে গুৰু প্ৰসাদ দাস আমাৰ গৌৰৱ।



**জন্মঃ**- এইজন মহান বিজ্ঞানীৰ জন্ম হৈছিল ১৯০৪ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখে অসমৰ বৰপেটা জিলাৰ বিলৰতাৰিহাটী নামে ঠাইত। তেখেতৰ পিতৃৰ নাম আছিল ৰাম প্ৰসাদ দাস আৰু মাতৃৰ নাম আছিল পদ্মাৱতী দাস। তেখেতৰ পিতৃ আছিল বৰপেটাৰ প্ৰথম আইন স্নাতক। পৰিবাৰৰ নাম আছিল চঞ্চলা ৰাহা। তেখেতৰ দুটি সন্তান ক্ৰমে বাসুদেৱ আৰু ৰণদেৱ। পৰৱৰ্তী কালত কলিকতাৰ বাসিন্দা হিচাপে জীৱন অতিবাহিত কৰিছিল।

**শিক্ষাঃ-** প্ৰাথমিক শিক্ষা সুখ্যাতিৰে সমাপ্ত কৰি বৰপেটা চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত নামভৰ্তি কৰে। বৰপেটাৰ প্ৰথম আইন স্নাতক আৰু নাম থকা অধিবক্তা পিতৃৰ পুত্ৰ হৈও পিতৃৰ আদৰ্শৰে গঢ় ল'ব নোৱাৰিলে । পঢ়া শুনাৰ প্ৰতি গুৰু প্ৰসাদৰ একেবাৰেই মন নাছিল । তেওঁ অনাই-বনাই ফুৰি বেছি ভাল পাইছিল। তেওঁ অষ্টম শ্ৰেণীত পঢ়ি থকা অৱস্থাতে অৰ্থাৎ 1921




চনত মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন আৰম্ভ হৈছিল। ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় এৰি আন্দোলনত যোগ দিছিল। সেই সুযোগতে ব্যৱসায়ৰ প্ৰতি অধিক আগ্ৰহী গুৰু প্ৰসাদে আনুষ্ঠানিক শিক্ষা সিমানতে সমাপ্ত কৰি ঘৰৰ পিতৃ-মাতৃৰ অজ্ঞাতে এই আন্দোলনত যোগ দিয়ে আৰু ব্যৱসায়ৰ বাবে কলিকতালৈ ঢাপলি মেলে। যাঁওতে এজন ব্যৱসায়ীৰ পৰা কিছু এৰি, মুগা আৰু পাটৰ কাপোৰ ব্যৱসায়ৰ বাবে লৈ গৈছিল। সেই বোৰ বিক্ৰী কৰি পোৱা টকাৰে কিছুদিন চলাৰ পাছত আৰ্থিক অৱস্থা বেয়া হৈ পৰে। সেই সময়তে অসমৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, ভোলানাথ বৰুৱা আৰু কামেশ্বৰ দাসৰ সান্নিধ্যলৈ আহে। তেখেত সকলে ভোলানাথ বৰুৱা দেৱৰ মটৰ গেৰেজত যোগালি হিচাপে কাম এটা যোগাৰ কৰি দিয়ে আৰু  পঢ়াশুনা কৰিবৰ বাবে চিতপুৰ নৈশ স্কুলত নাম লগাই দিয়ে। ইয়াত থাকোঁতেই 1924 চনত মেট্ৰিক পাছ কৰে।  তেঁওৰ এটা ভাল গুণ আছিল যি কাম কৰে ভাল দৰে শিকি বুজি লৈহে কৰে। গেৰেজৰ কাম বোৰ তেওঁ বৰ নিখুঁত ভাবে কৰিছিল। অতি কম সময়তে তেঁও সকলোৰে প্ৰিয় হৈ পৰে। এদিন থমছন এণ্ড কোম্পানীৰ এজন তীখা উদ্যোগ ব্ৰিটিছ ব্যৱসায়ীয়ে তেওঁৰ কামত মুগ্ধ হৈ মটৰ কাৰিকৰী শিক্ষাৰ অধিক জ্ঞান আহৰণৰ বাবে কলিকতা টেকনিকেল স্কুলত নাম লগাই দিয়ে আৰু "বাৰ্ণ এণ্ড কোম্পানী"ত চাকৰি এটাও যোগাৰ কৰি দিয়ে। ইয়াৰ পৰা তেওঁ কাৰিকৰী শিক্ষাৰ ডিপ্ল'মা লাভ কৰে ।  এদিন ইডেন গাৰ্ডেনত বহা আন্তঃৰাষ্ট্ৰীয় ৰৰ্কচপত যোগ দিবলৈ সুবিধা পায়। তেখেতৰ কামত মুগ্ধ হৈ ইংৰাজৰ উচ্চপদস্থ ব্যৱসায়ী জনে গুৰু প্ৰসাদ দাসক "ইন্সটিটিউট অফ মেকানিকেল ইঞ্জিনিয়াৰিং"ত প্ৰশিক্ষণ ল'বলৈ ইংলেণ্ডলৈ পঠিয়াই দিয়ে। তাত সুখ্যাতিৰে প্ৰশিক্ষণ সমাপ্ত কৰে আৰু কেইটামান যন্ত্ৰ আৱিষ্কাৰ কৰি সুখ্যাতি লাভ কৰে। ৰে'লৰ বাবে উদ্ভাৱন কৰা ভেকুৱাম ব্ৰেক তেখেতৰ



এক উল্লেখযোগ্য অৱদান। তেখেতৰ নাম অনুসৰিয়েই এই ব্ৰেকৰ নাম জি পি ব্ৰেক। ইংলেণ্ডত থাকোতেই ৰে'লগাড়ীৰ বেগ কমাব পৰা যন্ত্ৰ "কাট অফ কণ্ট্ৰল গে'জ" আৰু "বইলাৰ চেফটি ভাল্ব" উদ্ভাৱন কৰে। তেখেতৰ কামত মুগ্ধ হৈ বৃটিছ চৰকাৰে তেওঁক মেকানিকেল ইঞ্জিনিয়াৰিংত ডিগ্ৰী লবলৈ সুবিধা দিয়ে আৰু তাৰ পৰাই তেওঁ ইঞ্জিনিয়াৰিঙৰ ডিগ্ৰী লাভ কৰে। ডিগ্ৰী লাভ কৰি বৃটিছ চৰকাৰৰ নৌ সেনা বাহিনীত প্ৰথম মেকানিকেল ইঞ্জিনিয়াৰ হিচাপে যোগদান কৰে। বৃটিছ চৰকাৰে তেওঁক

তেখেতক "এচোচিয়েট মেম্বাৰ অফ ইনচটিটিউট অফ মেকানিকেল ইঞ্জিনিয়াৰ " উপাধি প্ৰদান কৰি সন্মানিত কৰে।তে

**কৰ্ম জীৱনঃ-** ইংলেণ্ডত প্ৰশিক্ষণ সমাপ্ত কৰি **১৯৩১** চনত ভাৰতলৈ উভতি আহে আৰু পূব ভাৰতীয় ৰে'ল সেৱা বিভাগত হাওৰা ষ্টেচনত এচিষ্টেণ্ট চুপাৰিনটেণ্ডেণ্ট হিচাপে উচ্চ পদত যোগদান কৰে । অলপ দিনৰ বাবে তেখেতে কলিকতা মিউনিচিপেলিটিৰ মেয়ৰ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। এই বিভাগত কেইবছৰ মান চাকৰি কৰি পাচত বাৰ্মা তেল কোম্পানীৰ চাকৰিত যোগদান কৰে। ইয়াৰ পাচতে ভাৰত চৰকাৰে কাণপুৰৰ অস্ত্ৰভাণ্ডাৰৰ পৰিচালক পদত নিযুক্তি লাভ কৰে । সেই সময়ত তেওঁক "কৰ্ণেল উপাধি" প্ৰদান কৰে । এই অসম গৌৰৱ মহান বিজ্ঞানী জনে **১৯৮২** চনৰ **১৯** ফ্ৰেব্ৰুৱাৰীৰ দিনা ইহলিলা সম্বৰণ কৰে।

**আৱিষ্কাৰঃ-** ইংলেণ্ডত প্ৰশিক্ষণ কালত থাকোঁতে কেইবাটাও যন্ত্ৰ আৱিষ্কাৰ কৰে যদিও উল্লেখযোগ্য আবিষ্কাৰ আছিল- চলন্ত ৰে'লগাড়ীৰ বেগ কমাব পৰা যন্ত্ৰ "কাট অফ কণ্ট্ৰল গেজ" আৰু "বইলাৰৰ চেফটি ভালভ"। তেখেতৰ আটাইতকৈ উল্লেখযোগ্য আবিষ্কাৰ হ'ল ৰেলৰ গাড়ীৰ অটোমেটিক ভেকুৱাম ব্ৰে'ক যাক আজিও জি পি ব্ৰেক হিচাপে জনা যায়।।

**সামৰণিঃ-** এজন অসমীয়া হিচাপে জন্ম গ্ৰহণ কৰি আৱিষ্কাৰক হিচাপে বিশ্ববাসীৰ আগত চিনাকি দিব পৰা এই মহান বিজ্ঞানী জনলৈ শতকোটি প্ৰণাম জনাইছোঁ। তেখেত হওক উঠি অহা নতুন প্ৰজন্মৰ বাবে যাত্ৰা পথৰ পথ প্ৰদৰ্শক।

তথ্যসংগ্ৰহ- google//Guru Prasad Das

**********